# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

১। ৰাজ্যত মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান কঠোৰ হ'ব বুলি মুখ্যমন্ত্ৰীৰ সকীয়নী।

২। অৰুণোদয় সাৰথি কৰ্মশালা তথা প্ৰশিক্ষণৰ বিশেষ কাৰ্যসূচীত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ অংশগ্ৰহণ।

৩। গোলাঘাট জিলাৰ শয্যাগত আৰু দীৰ্ঘদিনীয়া ৰোগত আক্ৰান্ত লোকসকলৰ সেৱাৰ বাবে স্বাস্থ্য বিভাগৰ বিশেষ ব্যৱস্থা গ্ৰহণ।

*আৰু*

৪। ৰহা টোলগে'টত জিলা আয়ুক্তৰ স্থানীয় বাসিন্দাক টোল কৰ ৰেহাই দিয়াৰ নিৰ্দেশনা।

ooooo

অসম আৰক্ষীত অনাগত সময়ত ১৫ ৰ পৰা ২০ হাজাৰ নতুন যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সন্মিলনৰ আজি প্ৰথম দিনা দীক্ষান্ত সমাৰোহত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিগত ৫ বছৰত অসম আৰক্ষীত ২১ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছিল আৰু পৰৱৰ্তী ৫ বছৰতো এই ধাৰাবাহিকতা অক্ষুন্ন থাকিব।

ড° শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত, প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া অসম আৰক্ষীৰ ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলৰ বাবে আজিৰ দিনটো প্ৰাপ্তি আৰু গৌৰৱৰ দিন বুলি উল্লেখ কৰে। তেওঁ কয়, যে আধুনিক নিৰাপত্তা সঁজুলি আৰু চাইবাৰ নিৰাপত্তা সন্দৰ্ভত এই আৰক্ষীসকলে প্ৰশিক্ষণ লাভ কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক প্ৰযুক্তিগতভাৱে সু-সজ্জিত কৰি তুলিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত সকলো শূন্য সহনশীল হ'ব লাগিব। তেওঁ বহুবিবাহ, বাল্য বিবাহৰ বিৰুদ্ধে নিৰন্তৰে যুঁজ দিবলৈ অসম আৰক্ষীক আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজ অধিক শক্তিশালী কৰাৰ কথা ঘোষণা কৰে। অসমৰ ভৌগোলিক অৱস্থিতি ম্যানমাৰ-বাংলাদেশৰ সীমান্তত হোৱাৰ বাবে মাদক দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত অসম সংবেদনশীল এলেকা হৈ পৰিছে বুলি তেওঁ কয়। অৰুণাচলৰ চাংলাঙেৰে তিনিচুকীয়া হৈ মাদক দ্ৰব্য সৰবৰাহৰ নতুন পথ গঢ় লৈ উঠা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া, ডিব্ৰুগড়, বৰাক, গোলাঘাট, শিৱসাগৰত আৰক্ষীক অধিক কঠোৰ হোৱাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কাৰ্বি আংলং, ডিমা হাচাও আৰু নগাঁৱত মাদক দ্ৰব্যৰ প্ৰৱেশ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজখন অধিক দৃঢ় আৰু তীব্ৰতৰ কৰি নৱপ্ৰজন্মৰ সুস্থ ভৱিষ্যৎ গঢ়ি তোলাটো অতি গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

*(বাইট) (চি.এম)*

অনুষ্ঠানত দিয়া ভাষণত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে স্মাৰ্ট আৰক্ষী আৰু আদৰ্শ আৰক্ষী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শক্তিশালী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰশিক্ষণ সমাপ্ত কৰা এই আৰক্ষী কৰ্মীসকলে নতুন প্ৰযুক্তিৰে অপৰাধৰ বিৰুদ্ধে যুঁজ দিয়াৰ সুযোগ লাভ কৰিব।

অনুষ্ঠানত পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হৈছে। তদুপৰি ৰাজ্যৰ আইন-শৃংখলা অধিক শক্তিশালী কৰাৰ বাবে অপৰাধ নিয়ন্ত্ৰণ, মহিলা আৰু শিশুৰ সুৰক্ষা, চাইবাৰ অপৰাধ ৰোধ, আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু অধিক জনমুখী আৰক্ষী ব্যৱস্থাৰ বিষয়ত আলোচনা কৰা হ'ব।

00000

গুৱাহাটী মহানগৰৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি অৰুণোদয় সাৰথি কৰ্মশালা তথা প্ৰশিক্ষণৰ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই কৰ্মশালাৰ অৰুণোদয় সাৰথিসকলৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰে। অৰুণোদয় আঁচনি অসমৰ তৃণমূল পৰ্যায়ত মহিলাসবলীকৰণৰ এক শক্তিশালী মাধ্যম বুলি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই আঁচনিৰ ধন প্ৰদান ব্যৱস্থা আৰু অধিক সহজ লভ্য কৰি তুলিবলৈ এই অৰুণোদয় সাৰথি কৰ্মশালা আৰু প্ৰশিক্ষণ শিৰিৰৰ আয়োজন কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি আঁচনিৰ সুবিধা তৃণমূল পৰ্যায়লৈ সঠিকভাৱে যোগান ধৰাতো সুনিশ্চিত কৰিবলৈ তেওঁ বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে।

দিছপুৰৰ জনতা ভৱনত আজি বিয়লি বিত্তমন্ত্ৰীগৰাকীয়ে অৰুণোদয় আঁচনি সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই সভাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিত্ত বিভাগৰ জ্যেষ্ঠ বিষয়াৰ লগতে জিলাসমূহৰ আয়ুক্তসকলে অংশগ্ৰহণ কৰে।

00000

গোলাঘাট স্বাস্থ্য বিভাগে আজি জিলাখনৰ শয্যাগত আৰু দীৰ্ঘদিনীয়া গুৰুতৰ ৰোগত আক্ৰান্ত লোকসকলৰ ঘৰে ঘৰে গৈ প্ৰশমনমূলক যত্ন সেৱা আগবঢ়াইছে। জিলাখনত এই পৰ্যন্ত ২৮৭ গৰাকী এনে ৰোগীক স্বাস্থ্য বিভাগৰ দ্বাৰা সেৱা প্ৰদান কৰা হৈছে। আয়ুষ্মান আৰোগ্য মন্দিৰত কৰ্মৰত সামূহিক স্বাস্থ্য বিষয়া, এ এন এম আৰু স্বাস্থ্যকৰ্মীৰ লগতে আশাকৰ্মীসকলে নিয়মীয়াকৈ ৰোগীসকলৰ গৃহ ভ্ৰমণ কৰি স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ আৰু স্বাস্থ্য সেৱা আগবঢ়াইছে। লগতে ৰোগীৰ পৰিয়ালক দৈনন্দিন যত্ন, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সহায়ৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰি ৰোগীসকলক সেৱা আৰু সুস্থ কৰি তোলাৰ বাবে স্বাস্থ্য বিভাগে এই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

00000

ৰহা অঞ্চলৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰহা টোলগে'টত অঞ্চলটোত স্থানীয় বাসিন্দাসকলৰ টোল কৰ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এক ৰাজহুৱা জাননী যোগে এই কথা ঘোষণা কৰে। আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে, সোণাপুৰ টোলগে'টৰ আৰ্হিত ৰহাৱাসীকো টোল কৰৰ পৰা সকাহ দিয়াৰ বাবে টোলগেট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছে। সেই অনুসৰি ৰহাৰ ৰণথলীত থকা টেলগে'টৰ ৭ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা বাসিন্দাসকলৰ ব্যক্তিগত বাহনৰ টোলকৰ ৰেহাই দিয়া হ'ব। এই সুবিধা লাভ কৰিবৰ বাবে এই অঞ্চলৰ বাসিন্দাসকলে এখন বিশেষ অনুজ্ঞা পত্ৰৰ বাবে আবেদন কৰিব পাৰিব। স্থানীয় লোকক অনুজ্ঞা-পত্ৰ প্ৰদানৰ বাবে টোলগে'ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে, দুদিনপূৰ্বে ৰহা অঞ্চলৰ একাংশ লোকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সময়তে জিলা আয়ুক্তই উপস্থিত হৈ প্ৰতিবাদী ৰাইজক এই সন্দৰ্ভত আশ্বাস প্ৰদান কৰিছিল।

00000

ডিব্ৰুগড় জিলা অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে হত্যাৰ পৃথক পৃথক অভিযোগত অভিযুক্ত ৫ জন অপৰাধীক আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে এজনক ৪ বছৰৰ সশ্ৰম কাৰাদণ্ড ৰায় দিছে। ৰায়দান কৰা গোচৰসমূহৰ

ভিতৰত ডিব্ৰুগড় থানা চৌহদত সংঘটিত এটা নৃশংস হত্যাকাণ্ডৰ গোচৰক বিশেষ গুৰুত্ব সহকাৰে লোৱা হয়। ডিব্ৰুগড় আৰক্ষীৰ কনিষ্টবল বিকি চেতিয়াই নিজৰ ছাৰ্ভিচ কাৰ্বাইনেৰে পত্নীক গুলীয়াই হত্যা কৰা গোচৰত চেতিয়াক যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে। আন চাৰিটা গোচৰত ৰাজীৱ চুংকাং, দিপু মেচ, চুক্ৰাম মূৰা আৰু ৰাজু চেতিয়া নামৰ লোককেইজনক আজীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে আন এটা হত্যাৰ চেষ্টাৰ গোচৰত পুতুল গড় নামৰ অভিযুক্তজনক ৪ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছে।

*বাইট ঃ অধিবক্তা*

০০০০০

গোলাঘাট জিলাৰ বৰপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি মাদক দ্ৰব্যৰ ভয়াৱহতাৰ বিৰুদ্ধে সজাগতামূলক বাটৰ নাট পৰিৱেশন কৰা হয়। মাৰাত্মক নিচাজাতীয় দ্ৰব্যৰ পৰা যুৱক-যুৱতীসকলক সজাগ আৰু যুৱ প্ৰজন্মক এই আসক্তিৰ পৰা আতৰাই অনাৰ উদ্দেশ্যে এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানৰ জৰিয়তে নিচামুক্ত সমাজ গঢ়াৰ বাবে সমাজৰ সকলো স্তৰৰ লোককে সজাগ আৰু সচেতন হোৱাৰ আহ্বান জনায়।

০০০০০

আফগানিস্তানৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় পুৰুষ দলটো ঘোষণা কৰা হৈছে। শ্ৰেয়াছ আয়াৰে নেতৃত্ব দিবলগীয়া দলটোত তিলক বাৰ্মা উপ-অধিনায়ক হিচাপে থাকিব। দলটোৰ আনকেইগৰাকীমান খেলুৱৈ হৈছে যশপ্ৰীত বুমৰা, ৱাশ্বিংটন সুন্দৰ আৰু হৰ্ষিত ৰাণা। অহা ১৩, ১৫ আৰু ১৭ ছেপ্তেম্বৰত নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত এই শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**